بِسۡمِ اللّٰهِ الرَّحۡمٰنِ الرَّحِیۡمِ   نَحۡمَدُهٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِهِ الۡکَرِیۡمِ   وَعَلٰی عَبۡدِهِ الۡمَسِیۡحِ الۡمَوۡعُوۡدِ

# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০১৯ চনৰ ১২ জুলাইত মছজিদ মোবাৰক ইছলামাবাদ টলফোৰ্ড বৃটেইনত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

তাছাহুদ,তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে কেইদিনমান আগত আল্লাহ তায়ালাৰ কৃপাত জামাত আহমাদীয়া জাৰ্মানীৰ বাৎসৰিক জলছা আল্লাহৰ কল্যানেৰে সৈতে অন্ত পৰিছে। এই বছৰ উক্ত জলছাত চল্লিছ হাজাৰতকৈ অধিক লোকে অংশ গ্ৰহন কৰিছিল। এয়া একমাত্ৰ আল্লাহ তায়ালাৰ দয়া, যিয়ে আমাৰ কাম আৰু চেষ্টা অনুপাতে আমাক বেছিকৈ প্ৰদান কৰে। গতিকে আমি আল্লাহহ তায়ালাৰ শলাগ হৈ নিজে নিজে চেষ্টা প্ৰচেষ্টাত আগবাঢ়ি যোৱাৰ আপ্ৰাণ চেষ্টা কৰা উচিত যাতে আল্লাহ তায়ালাৰ এই দানৰ পৰিমান বাঢ়ি গৈ থাকে। জলছাত অংশগ্ৰহন কাৰী শ শ আহমদী আৰু অমুছলিম অতিথি সকলে এয়া প্ৰকাশ কৰিছে যে তেওঁলোকে ইয়াত আহি এটা অসাধাৰণ পৰিবেশ আৰু প্ৰভাৱ দেখিবলৈ পাইছে। গতিকে আমাৰ এই জলছা আমাৰ নিজৰ শিক্ষা, তৰবিয়তৰ উপৰি তবলীগৰ এটা ডাঙৰ উপায় উলিয়াই। এই বস্তুবোৰে আমাৰ পৰা বিচাৰে যে আমি যেন খোদা তায়ালাৰ প্ৰশংসা কৰাৰ ফালে মনোযোগী হওঁ। লগতে ইয়াত সৃষ্টি হোৱা পৰিবেশ আমাৰ নিমিত্তে যেন অস্থায়ী নহয় বৰং আমাৰ জীৱনৰ প্ৰতিটো ক্ষণ ইছলামৰ মনোৰম শিক্ষা যেন আমাৰ প্ৰত্যেক আমলৰ জৰিয়তে প্ৰদৰ্শন কৰোঁতা হয়। আমি যেন হজৰত মছিহ মাওউদ (আঃ) ৰ বয়াতৰ অন্তৰ্ভূক্ত হোৱাৰ উদ্দেশ্য সফল কৰোতা হওঁ।

হুজুৰ আনোৱাৰ (আইঃ) য়ে জলছাৰ শ্ৰমিক শ্ৰমিকাৰ শলাগ লৈ কৈছে যে বিশ্বৰ প্ৰত্যেক ডাঙৰ আৰু প্ৰতিষ্ঠিত জামাতবোৰত দেখিবলৈ পোৱা যায় যে কৰ্মী সকলে জলছাৰ কাম কৰাৰ উদ্দেশ্য নিজৰ ব্যাক্তিগত লাভালাভ আৰু কাম এৰি আহি একমাত্ৰ জলছাৰ ব্যাৱস্থাপনা আৰু হজৰত মছিহ মাওউদ (আঃ) ৰ অতিথি সকলৰ আলপৈচানৰ নিমিত্তে নিজৰ সময় ওয়াকফে কৰি দিয়ে। আল্লাহ তায়ালাৰ কৃপাত জাৰ্মানীৰ জমাত একাগ্ৰতা আৰু আনুগত্যৰ ক্ষেত্ৰত উন্নত মানৰ জামত। ইয়াৰে কিছুমান জামত অইন কিছুমান জামাততকৈ কুৰবাণীৰ ক্ষেত্ৰত বেছি আগবঢ়া হৈ আছে। আল্লাহ তায়ালা তেওঁলোকৰ একাগ্ৰতা আৰু আনুগত্য বঢ়াই দিয়ক। এই বছৰৰ জলছাত অংশগ্ৰহন কাৰীৰ সংখ্যা বাঢ়ি যোৱা পৰিলক্ষিত হোৱাৰ পিছত পৰিচালনা সমিতি আৰু আমিৰ চাহাবৰ উপলব্ধি হৈছে যে তেওঁলোকৰ জলছা ময়দান ডাঙৰ হোৱাৰ প্ৰয়োজন হৈ পৰিছে। আমিৰ চাহাবে কয় যে, তেখেত এখন ঠাই দেখি পছন্দ কৰিছে আৰু সেয়া লবলৈ চেষ্টা চলাই আছে। আল্লাহ তায়ালাৰ ওচৰত যদি সেই ঠাইখিনি জামাতৰ নিমিত্তে মঙ্গলময় হয় তেন্তে আল্লাহ তায়ালা সেয়া ক্ৰয় কৰাৰ ব্যাৱস্থা কৰি দিয়ে যেন। লগতে সকলো উপায় সহজ কৰি দিয়ে যেন। হুজুৰ আনোৱাৰ (আইঃ) য়ে কয় যে জাৰ্মানীৰ জলছা এতিয়া আন্তৰ্জাতিক জলছা হৈ পৰিছে। গতিকে জলছা ময়দান আৰু অন্যান্য ব্যাৱস্থাপনা বিস্তৃত, বহল কৰাৰ প্ৰয়োজন আছে।

হুজুৰ আনোৱাৰ (আইঃ) য়ে জলছাৰ অতিথি বৃন্দৰ মন্তব্য সমুহ নিজে বৰ্ণনাবলৈ গৈ কয় যে - এজন মহাশয় ! ফ্ৰাঙ্ক ফোটৰ এটা লায়াফৰ্মৰ ছিনিয়ৰ পাৰ্টচ মিঃ হেনজুলিও ৰেবেনুজ নিজৰ মন্তব্যত লিখিছে যে প্ৰকাশ্য শান্তি, নিৰাপদ আৰু প্ৰত্যহ এটা ৰীতি অনুসৰি চলি ধাৰণা হোৱা আতংক আৰু বিপদ সংকুল যুদ্ধ সম্পৰ্কে বুজ লোৱাটো বৰ ডাঙৰ কথা আৰু ইমাম জামত আহমদীয়া কেৱল ভৱিষ্যতৰ বিপদেই উপলব্ধি কৰা নাই বৰং ইয়াৰ লগতে বিশ্বখনকও সাৰধান,(সতৰ্ক) কৰি আছে।

মেৰিনা পলবক চাহীবা, যিজনী লফথানজা এয়াৰ লাইনচৰ আই, টি ডিপাৰ্টমেণ্টত কাম কৰে, তাই কয় যে বিশ্ব শান্তি প্ৰতিষ্ঠা সম্পৰ্কে কথা কোৱাটো হেতা সকলৰ বাবে এটা হটকিক কিন্তু ইমাম জমাত আহমদীয়াৰ কথাত যি প্ৰেৰণা শক্তি আছে, সেয়া মই কতো দেখা নাই। যদি নিজা স্বাৰ্থ ত্যাগ কৰি আমি ঐক্যবদ্ধ হৈ খোজ নিদিওঁ তেন্তে এটমিক যুদ্ধৰ ভয়ানক ধ্বংসৰ বাবে আমিয়েই দায়ী হব লাগিব। তাই কৈছে যে মোৰ বোধেৰে ইমাম জামাত আহমদীয়ায় ইমান সুন্দৰ ব্যাখাৰ সৈতে এই বিষয়ে জনাইছে যে যদি ইয়াতো কোনোৰে চিন্তান্বিত নহয় তথাপি মানৱৰ নিমিত্তে নোম শিয়ৰিবলৈ এই সতৰ্কতাই যথেষ্ট আৰু সিদ্ধান্ত লওঁতা সকললৈ এই বাৰ্তা প্ৰেৰণ কৰা উচিত। কাৰণ মানৱতাবাদৰ কল্যানাৰ্থে বিশ্বব্যাপি সাধাৰণ বাবে ইয়াৰ ওপৰত

বিবেচনা কৰাৰ প্ৰয়োজন আছে।

মেছেডোনিয়াৰ এটা দলৰ লগত অহা এজনী মহিলা আলেকজেণ্ডাৰ চাহিবায় কৈছে যে আহমদীয়তে এয়া বিচাৰে যে মানুহৰ মাজত আধ্যাত্মিকতা বৃদ্ধি কৰোঁতা হওঁক; এওঁলোকৰ মাজত ঐক্য প্ৰতিষ্ঠিত হওঁক; খোদা তায়ালাৰ ওচৰ হওঁক। এই বছৰৰ জলছাত মই বহু বেছি হাহিঁ দেখিবলৈ পাইছো যি সকলে আমাক বৰ সন্মান কৰিছিল। মই শলাগী হৈ এই কথাৰ সাক্ষ্য দিওঁ যে মই এনেকুৱা লোকক লগ পাইছো যি সকলৰ খোদা বিশ্বাস আৰু ইমান বহুত দৃঢ়; মই আশা কৰো যে আপুনি এই সজ কাম জাৰি ৰাখক।

এই অআহমদী লোক জনৰ মন্তব্যই যেন আমাক এই ফালে লৈ আনে যে আমি যেন আচল অৰ্থে নিজৰ জীৱনৰ উদ্দেশ্য বুজি পাওঁ আৰু যেন সেই উদ্দেশ্যই সফল কৰোঁতা হওঁ। মেছেডোনিয়াৰ আন এজন টি ভি চ্যানেলৰ সাংবাদিক জোৰানচো জোৰেনছাকি চাহাবে কয় যে মই এয়া দ্বিতীয়বাৰ জলছাত অংশগ্ৰহন কৰিছো, এয়া মোৰ বাবে গৌৰৱৰ বিষয়। জলছাৰ ব্যাবস্থাপনা বহু উন্নত মানৰ। খোদা তায়ালাৰ ওপৰত ইমান ৰখা আৰু মানৱ সমাজক সহায় কৰা এনেকুৱা এটা কাম যিয়ে সকলো লোকৰ মাজত থকা মতানৈক্য, বিৰুদ্ধ আদিৰ অন্ত পেলায়।

বোলগেৰিয়াৰ এটা দলৰ লগত অহা এজনী মহিলা জুলিয়া চাহিবায় কয় যে - মই এই কথাখিনি ভাৰি বৰ আচৰিত হৈ আছো যে মইও আহমদীয়া জমাতৰ জলছাত হাজাৰ হাজাৰ যোগদানকাৰী সকলৰ লগত অংশগ্ৰহন কৰিছো। ইয়তো মই এজনী ঈছাই লোক হওঁ কিন্তু আপোনাৰ ভাষন মোৰ বৰকৈ ভাল লাগিছে। আপোনাৰ দোৱায় অন্তৰত বৰকৈ আলোড়ন তুলিছে। তিলওয়াতে কোৰাণ কৰমওঁ বৰ ভাল লাগিছে। শলাগ লবলগীয়া কথা হল এয়া যে ছাত্ৰ সকলক আপুনি নিজ হাতেৰে বটাঁ প্ৰদান কৰিছে।

বোলগেৰিয়াৰ আন এজনী মহিলা কেছমাল মিৰা চাহিবায় কৈছে যে - মই এয়া তৃতীয়বাৰ জলছা ছালানা জাৰ্মানীত যোগদান কৰাৰ সুযোগ পাইছো। ইয়াতে আহি মই প্ৰত্যেক বছৰেই নতুন নতুন কথা শিকিবলৈ পাইছো। মই ভাষণ সমুহ বৰ মনোযোগেৰে শুনো। কাৰণ মই এজনী ফিজিঅ থেৰাপিষ্ট আৰু ছাইকোলজিষ্ট হওঁ। মই এই ভাষন সমুহত উল্লেখ কৰা জামাত আহমদীয়াৰ শিক্ষাৰ জৰিয়তে নিজৰ ওচৰত অহা বেমাৰী সকলৰ সমস্যা বৰ ভালদৰে সমাধান কৰিব পাৰো। মোৰ লাভদায়ক উপদেশ বিলাক মই জমা কৰি লৈ যাওঁ।

আকৌ আন এজন আহমদী বন্ধু গজম আজাছি চাহাব, যাৰ এটা ধৰ্মহীন ছোছাইটিৰ সৈতে সম্পৰ্ক আছিল। কেইমাহ মান আগৰে পৰা জামাত আহমদীয়াৰ সৈতে তেওঁৰ যোগাযোগ হৈছে। ধৰ্ম আৰু বিশেষকৈ ইছলাম সম্পৰ্কে জামাত আহমদীয়ায় দিয়া দলিল প্ৰমান সমুহ তেওঁৰ ওচৰত বৰ যথাযোগ্য বুলি উপলব্ধি হৈছিল। ইয়াৰ আগত মৌলবী সকলৰ গল্প, কাহিনীয়ে তেওঁৰ মন ধৰ্মৰ প্ৰতি বেজাৰ কৰি তুলিছিল। সেয়ে তেওঁ কেইবছৰ মান আগত বয়াত কৰিছে আৰু লাহে লাহে ইছলামৰ ৰীতি নীতি পালন কৰিবলৈ লৈছে। তেওঁ কয় যে এই বাৎসৰিক জলছা মোৰ বাবে বৰ গুৰুত্বপূৰ্ণ। ইয়াতে ব্যাৱস্থাপনা আৰু অতিথি আলপৈচান প্ৰত্যেক বছৰৰ দৰে এইবাৰো বৰ উত্তম আছিল। লাজনা সকলৰ আগত দিয়া ভাষণ আৰু জলছা সামৰণি ভাষণে মোক বাৰুকৈয়ে প্ৰভাৱিত কৰিছে। এই বাৰ্তা আমি পুৰুষ সকলে সদায় মনত ৰখা উচিত।

আন এজন জাৰ্মানীৰে অতিথি আইলি শোৱাঞ্চি আলবানিন চাহাবে কয় যে বাৰ্ষিক জলছা প্ৰত্যেক আহমদী মুছলমানৰ বাবে এটা উচ্চ মৰ্যাদা সম্পন্ন ৰূহানী ইজতেমা। এই বাৰ্ষিক জলছাত যোগদান কৰি ইছলামৰ বুনিয়াদী শিক্ষাৰ সৈতে পৰিচিত হৈছো আৰু জামাত আহমদীয়াৰ নিজামে খিলাফতৰ জৰিয়তে ইছলামৰ মনোৰম শিক্ষাৰ কাৰ্যকৰী আদৰ্শ সমুহ দেখিবলৈ পাইছো। লগতে আৰু কয় যে এজন আহমদী মুছলমান হিচাপে গোটেই বছৰ এই ৰূহানী জলছাৰ নিমিত্তে অতি যতনেৰে অপেক্ষা কৰি থাকো কাৰণ ইয়াতে এটা প্ৰকৃত ভাতৃত্ববোধৰ ৰূহ দেখিবলৈ পোৱা যায়। যাৰ বৰ্ণনা ভাষাৰে কৰা মোৰ বাবে সম্ভৱ নহয়। এই জলছাত আহি মোৰ এনেকুৱা লাগিছে যে যেনিবা মই জান্নাতত আহিছো আৰু মই পৃথিবীৰ আটাইতকৈ সৌভাগ্যশীল ব্যাক্তি হওঁ আৰু অহা বছৰৰ জলছালৈ ব্যাকুলতাৰে যেন অপেক্ষা কৰি আছো।

জাৰ্জিয়াৰ এটা দলৰ সৈতে দ্বিনী শিক্ষাৰ এজনী ছাত্ৰী নানুকা চাহিবা আহিছিল। তাই বয়াতৰ অনুষ্ঠান চাই নিজৰ প্ৰতিক্ৰিয়া ব্যাক্ত কৰিবলৈ গৈ কয় যে - বয়াতৰ অনুষ্ঠান বৰ অন্তৰগ্ৰাহী দৃশ্যৰ ঐক্যস্থান। মই ইয়াত এটা ধৰ্মীয় ঐক্যৰ দৃশ্য দেখিবলৈ পাইছো আৰু উপলব্ধি কৰিব পাৰিছো যে কেনেকৈ বিভিন্ন বংশৰ লোক শান্তিৰে সৈতে একেলগে থাকিব পাৰে।

মই ধৰ্মীয় শিক্ষা লাভ কৰি আছো আৰু এই জলছাত প্ৰথমবাৰ অংশ গ্ৰহন কৰিছো। মোৰ বিশ্বাস যে এই জলছা শান্তি লাভৰ এটা উত্তম উপায় হব পাৰে।

কছুওৰৰ পৰা অহা দলৰ এজন বন্ধু মিঃ শ্বইব জিকিৰ জি চাহাবে কয় যে মই খবৰ পালো যে জলছাত যোগদান কৰিব লাগে তেতিয়া মই বৰ আনন্দিত হৈছিলো। কিন্তু এই ভ্ৰমনৰ খৰচ বহনৰ কথা ভাবি দোধৰ মোধৰ অৱস্থাত পৰিছিলো। ইফালে খলিফা ওয়াক্তৰ লগত মিলা আৰু জলছাত যোগদান কৰাৰ বাবে মোৰ বৰ আগ্ৰহ সেয়ে এটা গাই বিক্ৰী কৰি জলছাৰ খৰচ যোগাইছিলো। এনেদৰে লোকে আহমদী হোৱাৰ পিছত কুৰবাণী কৰি জলছাত যোগদান কৰাৰ চেষ্টা কৰে।

মালটাৰ পৰা অহা তিনিজনী মহিলা, মহিলা সকলৰ মাৰকি লৈ যায় আৰু কয় যে - আমাৰ প্ৰতি এওঁলোকে বৰ যত্নবান আৰু আমাক বহুবাৰ সুবিধা অসুবিধা বিষয়ে সোধা হৈছে। মহিলা সকলৰ মাৰকিত এটা পৰিয়াল যেন পৰিবেশ। এনেকুৱা আছিল যে যেনিবা আমি পৰস্পৰে পৰস্পৰক শতবৰ্ষৰে পৰা ভালদৰে পৰিচিত অথচ আমাৰ এয়া প্ৰথমবাৰ হে দেখা দেখি হৈছে। আকৌ কৈছে যে মহিলা সকলৰ মাৰকিত বৰ সুবিধা আছিল আৰু আমি দুয়ো ফালৰ পৰিবেশৰ জ্ঞান লাভৰ সুবিধা পাইছিলো। আনহাতে আমি ইছলামী শিক্ষাৰ যত নাৰী পুৰুষৰ বাবে পৃথক ব্যাৱস্থা কৰা আছে, তাৰ গভীৰ আৰু প্ৰকৃত জ্ঞান আৰু দৰ্শন বুজি পোৱাৰ সুবিধা পাইছিলো। আমি আমাৰ জ্ঞানৰ পৰিধিৰে এথা কব পাৰো যে ইছলামী শিক্ষা বহুত গভীৰ আৰু প্ৰজ্ঞাৰে ভৰপুৰ। আনহাতে মহিলা সকল পৃথকে থাকি বৰ সুবিধা পাইছে আৰু শান্তি উপলব্ধি কৰিছে আৰু তেওঁলোকৰ দক্ষতা দেখুৱাৰ আৰু ব্যাৱস্থাপনা চম্ভালি লোৱাৰ সকলো সুবিধা লাভ কৰিছে।

হুজুৰ আনোৱাৰ (আইঃ) য়ে কয় যে - এতিয়া অ-আহমদী লোক সকলে এয়া মানি লবলৈ বাধ্য হৈছে যে প্ৰকৃততেই নাৰী-পুৰুষৰ পৃথক ব্যাৱস্থা আৰু ব্যাৱস্থাপনা, যা-যোগাৰ অতিকৈ প্ৰয়োজনীয়। আজি কালি আমাৰ কিছুমান চাবালক ছোৱালী সকলৰ মনত ধাৰণা জন্মে যে আমাক কিয় নাৰী-পুৰুষে একলগ হব নিদিয়ে আৰু স্বাধীনতা নিদিয়ে। তেওঁলোকে বিষয়টো বুজি পোৱা উচিত।

কিৰগিস্থানৰ পৰা অহা এজন অতিথিয়ে বৰ্ণনা কৰিছে যে জলছাত যোগদান কৰি মোৰ অসাধাৰণ জ্ঞান উপলব্ধ হৈছে। মই আহমদী হোৱাৰ আগত কেতিয়াও কান্দোন অহা নাছিল কিন্তু কাদিয়ান আৰু জাৰ্মানীৰ জলছাত মোৰ চকুলো বৈ গল। অনুমান হৈ আছিল যে মোৰ অন্তৰখনত কোমলতা আৰু পৰিবৰ্তনৰ জন্ম হৈছে। প্ৰত্যেকৰ বয়াতৰ জৰিয়তে মোৰ ঈমান আৰু বৃদ্ধি পাইছে। মই প্ৰথমে মৌলবী আছিলো, যেতিয়া মই জামাত আহমদীয়াৰ কিতাপ পঢ়িছিলো তেতিয়া সকলো কথা যি কোৰ-আন কৰিমত দাজ্জাল আৰু মছিহ মাওউদ (আঃ) সম্পৰ্কে উল্লেখ আছে, তাৰ গুঢ়াৰ্থ বুজি পাইছিলো। বয়াতৰ সময়ত মোৰ এনেকুৱা অনুভ্ৱ হৈছিল যে যেনিবা মোৰ ওপৰত শীতল পানী পৰি আছে আৰু এতিয়া মই আচল আৰু প্ৰকৃত মুছলমান হৈ গৈছো।

ছোনিগালৰ পৰা অহা এজন অতিথিয়ে কয় যে যদি মই এই জলছা নেদিখিলোহেঁতেন আৰু আপোনাক লগ নাপালোহেঁতেন তেন্তে মই নিজৰ জীবনত এটা শূন্যতা অনুভৱ কৰিব লগা হলহেঁতেন। সেয়ে আজি মই ভাৱো যে মোৰ জীবন যাত্ৰা সফল হৈছে। তেওঁ এটা নাও নিজৰ কোলাত তুলি লৈ বহি আহিছিল। মই সেয়া প্ৰশ্ন কৰাত তেওঁ উত্তৰ দিছিল যে এই উপহাৰ মই আপোনাৰ বাবে লৈ আনিছো আৰু কৈছিল যে এই নাওখন শান্তিৰ নাও। ভালপোৱা সকলোতে, নাই ঘৃণা কাৰো সতেৰে নাও। এতিয়া যিজনে এই নাওত উঠিব তেওঁৰেই নিৰাপত্তা পাব আৰু এযা হল আহমদীয়াতৰ কিচতি। এই নাও উপহাৰ দিয়াৰ আন এটা অৰ্থ হল আমাৰ দেশৰ লোকৰ জীৱন-যাপনৰ সৈতে সম্পৰ্কিত। আমাৰ দেশত মাছমৰীয়া লোক বেছি। গতিকে আমাৰ দেশৰ বাবে বিশেষ ভাৱে দোৱা কৰি দিয়ক।

বুছনিয়াৰ পৰা অহা ইয়াছমিন ছিপাছিত চাহাবে কয় যে -আপোনালৈ ছালাম ! বাণী ইছলামৰ সৈতে প্ৰেম, আৰু সেই প্ৰেমৰ বহিঃপ্ৰকাশ আপোনাৰ প্ৰেমময় ভাষাত ঘটিছে। ৰছুলে কৰিম (ছাঃ)ৰ পবিত্ৰ জীৱনৰ পৰা বুটলি অনা নচিহতে অন্তৰখন স্পৰ্শ কৰি গৈছে। এয়াই হল সেই কাম যি আঁহজৰত (ছাঃ) য়ে কৰিছিল। আকৌ কয় যে মই খোদা তায়ালাৰ ওচৰত দোৱা কৰো যে ভৱিষ্যতৰ জলছা সমুহ যেন ইয়াতকৈ উন্নত হয় আৰু এই জলছা যেন উম্মতে মহম্মদীয়া ৰাছুল (ছাঃ)ৰ মাজত শক্তি আৰু একতাৰ জন্ম দিযাৰ কাৰণ হয়।

আকৌ ইয়ামিনিয়া চাশিওছ চাহিবায় কয় যে মা জলছাত যোগদান কৰি এয়া উপলব্ধি কৰিব পাৰিছো যে জলছাৰ পৰিবেশত

সেই শক্তি আৰু প্ৰভাৱ আছে যিয়ে আধ্যাত্মিক ভাৱে মৃত মানৱৰ কলিজাত জীৱন ৰূহ ঢালি দিব পাৰে।

লেবাননৰ কামাল লোৱান চাহাবে কয় যে - জলছাত সৰ্বপ্ৰথম মোৰ ভাৱে সত্যতাৰ প্ৰমান হল সংখ্যাধিক্য আৰু এওঁলোকৰ বিনন্দিয়া ব্যাৱস্থাপনা। জলছা চলাকালীন অৱস্থাত এজন বন্ধুৱে মোক কয় যে - এখেত হল খলিফাতুল মুছলেমিন। মই আহমদী সকলক বিভিন্ন প্ৰশ্ন কৰিছো; তেওঁলোকে তাৰ উত্তৰ অতি সুন্দৰকৈ প্ৰদান কৰিছে। মই ভাৱি আছো যে অহা বছৰলৈ জীয়াই থাকো নে নাথাকো, সেয়ে এতিয়াই বয়াত কৰা উচিত; সেয়ে বয়াত কৰি লৈছো।

আকৌ ফুৱাদ চাহাবে কৈছে যে ২০১৮ চনত মই বয়াত কৰিছো কিন্তু মোৰ পত্নীয়ে বয়াত কৰিবলৈ অস্বীকাৰ কৰিছে। মই তাইক বহুত বুজাইছো আৰু কৈছো তুমি এই কিতাপবোৰ পঢ়ি চোৱা আৰু খোদা তায়ালাৰ ওচৰত ইস্তেখাৰা কৰা। তিনি মাহলৈকে তাই ইস্তেখাৰা কৰি সপোনত দেখিছিল যে বহু মানুহ সমবেত হৈছে আৰু এটা বগা পাৰ চৰাই মানুহ বিলাকৰ মাজত বৈ আছে। এয়া দেখি মোৰ পত্নীয়ে মোক সুধিছিল যে এই পাৰ চৰাইটো কি ? তেতিয়া সিহঁতৰ মাজৰ এজন ব্যাক্তিয়ে কৈছিল এই পাৰটো ইছলাম প্ৰচাৰৰ নিমিত্তে এই কুছছ অঞ্চললৈ আহিছে। এই সপোন মোৰ পত্নীৰ অন্তৰখন উন্মোচন কৰিছিল আৰু ২০১৯ চনৰ এই জলছাত আহি বয়াতৰ অন্তৰ্ভূক্ত হৈছে। আকৌ কৈছে যে মই এই বিষয়ে বৰ আনন্দিত হৈছো যে আল্লাহ তায়ালা মোৰ গোটেই পৰিয়ালক হজৰত মছিহ মাওউদ (আঃ)ৰ বয়াত কৰাৰ তৌফিক দান কৰিছে। এতিয়াৰে পৰা মোৰ সকলো আত্মীয় স্বজনক তবলিগ কৰিম।

হুজুৰ আনোৱাৰ (আইঃ) য়ে কয় যে আল্লাহ তায়ালাৰ এই সকল বয়াত কৰোঁতাক একাগ্ৰতা, আৰু আনুগত্যত উন্নতি কৰাৰ তৌফিক দান কৰক। আমাৰ প্ৰত্যেককে জলছাৰ কল্যাণ লাভ কৰোতাঁ বনাওঁক আৰু হজৰত মছিহ মাওউদ (আঃ) ৰ দোৱাৰ অংশীদাৰ বনাওঁক।

মিডিয়া কুৰেজ সম্পৰ্কে হুজুৰ (আইঃ) য়ে কয় যে এই বছৰ জাৰ্মানীত সৰ্বমুঠ তেৰ মিডিয়া আউট লেটচৰ জৰিয়তে জলছাৰ কুৰেজ হৈছে। ইয়াৰ উপৰিওঁ ইটালী, চীন আৰু শ্লোবাকিয়াৰ অনলাইন বাৰ্তাত খবৰ প্ৰেৰণ হৈছে। আল্লাহ তায়ালাৰ কৃপাত বৰ বহল ভিত্তিত জামাতৰ পৰিচয় ঘটিছে। আল্লাহ তায়ালা সকলো ফালেৰে এয়া বৰকতময় কৰি তোলক। (আমিন)

**********

**Assamese Khulasa Khutba Jumma Huzoor Anwar 12 JULY.. 2019**

| To |
|---|
| -------------------------------------------------------------------------- <br> -------------------------------------------------------------------------- |

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**